**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 20-11-2024 **Time :** 1205 Hrs

***Assamese Midday (1205 Hrs.) Bulletin***

দিছপুৰত কালি অনুষ্ঠিত অসম মন্ত্ৰীসভাৰ বৈঠকত ৰাজ্যিক জি এছ্ টি আইন সংশোধনী, কৰিমগঞ্জ জিলাক শ্ৰীভূমি জিলা হিচাপে নতুনকৈ নামকৰণকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত লোৱা হয়। দিছপুৰত অনুষ্ঠিত অসম মন্ত্ৰীসভাৰ বৈঠকৰ অন্তত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কালি এই কথা ঘোষণা কৰে। তেওঁ কয়, যে মন্ত্ৰীসভাই ৰাজহ বৃদ্ধি, কৰদাতাসকলক সুবিধা প্ৰদান আৰু ব্যৱসায়ৰ ক্ষেত্ৰত সুচলতাৰ বাবে অসম সামগ্ৰী আৰু সেৱা কৰ অৰ্থাৎ জি এছ্ টি সংশোধনী অধ্যাদেশ, ২০২৪-ত অনুমোদন জনাইছে। এই অধ্যাদেশে জি এছ্ টি আইন, ২০১৭-ত অন্তৰ্ভুক্ত পৰিৱৰ্তনৰ সৈতে সমতা ৰাখিবলৈ আইনখনত প্ৰয়োজনীয় পৰিৱৰ্তনৰ অন্তৰ্ভুক্তি আৰু সংশোধনৰ বাবে অনুমোদন জনাব। তদুপৰি বৰ্তমানৰ কৰিমগঞ্জ জিলাৰ সমৃদ্ধ সাংস্কৃতিক ঐতিহ্যক ন্যায়সংগত ৰূপত প্ৰকাশ কৰাৰ বাবে মন্ত্ৰীসভাই জিলাখনক শ্ৰীভূমি হিচাপে নামকৰণ কৰিবলৈ অনুমোদন জনায়।

কৰিমগঞ্জ জিলাৰ নাম শ্ৰীভূমি হোৱাৰ পাছত জিলাখনৰ বিভিন্ন স্থানত জনসাধাৰণৰ মাজত উৎসাহ পৰিলক্ষিত হয়। জিলা যুৱ মৰ্চাই মুখ্যমন্ত্ৰীৰ লগতে ৰাজ্য চৰকাৰক এই সিদ্ধান্তৰ বাবে ধন্যবাদ জ্ঞাপন কৰে।

কালি অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকে ৰাজ্যত অহা বছৰৰ ফেব্ৰুৱাৰীত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰাৰো সিদ্ধান্ত লৈছে। বৰ্তমান ৰাজ্যখনত পঞ্চায়ত নিৰ্বাচনৰ খচৰা ভোটাৰ তালিকা প্ৰস্তুতিৰ কাম চলি আছে আৰু ৩০ ডিচেম্বৰৰ ভিতৰত ভোটাৰ তালিকা প্ৰকাশ পালে ফেব্ৰুৱাৰীৰ প্ৰথম সপ্তাহৰ ভিতৰত নিৰ্বাচন অনুষ্ঠিত হ'ব। নিৰ্বাচন দুটা পৰ্যায়ত অনুষ্ঠিত হ'ব। সমগ্ৰ নিৰ্বাচনী প্ৰক্ৰিয়া ১০ ফেব্ৰুৱাৰীৰ ভিতৰত সম্পূৰ্ণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। ৰাজ্যখনলৈ দেশ-বিদেশৰ পৰা অধিক পুঁজি বিনিয়োগক আকৰ্ষিত কৰা আৰু আন্তঃগাঁথনিৰ উন্নয়নৰ বাবে অহা ২৪ ফেব্ৰুৱাৰীত অসম বিনিয়োগ আৰু আন্তঃগাঁথনি মেলাৰ আয়োজন কৰা হ'ব বুলি তেওঁ উল্লেখ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক এই বিনিয়োগ মেলালৈ আমন্ত্ৰণ জনোৱা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। ৰাজ্যৰ বিভিন্ন উন্নয়নমূলক প্ৰকল্পত স্থান সম্পৰ্কীয় তথ্য কাৰ্যকৰীভাৱে ব্যৱহাৰ কৰিবলৈ মন্ত্ৰীসভাই ৰাজ্যখনত ৰিম'ট চেনচিং, জি আই এছ্, জি পি এছ, ড্ৰোণ আদি জৰীপ সম্পৰ্কীয় কাম আৰু সেৱাৰ বাবে অসম ৰাজ্যিক মহাকাশ প্ৰয়োগ কেন্দ্ৰক ৰাজ্যিক সমন্বয় সংস্থা হিচাপে মনোনীত কৰিবলৈও অনুমোদন জনাইছে। এই বৈঠকত বনাঞ্চল বৃদ্ধি কৰাৰ বাবে ৰাজ্য চৰকাৰৰ পৰিকল্পনাক কাৰ্যত ৰূপায়িত কৰিবলৈ অসম কৃষি বনানিকৰণ নীতি-২০২৪ত অনুমোদন জনোৱা হয়। একেদৰে গ্ৰাম্য উন্নয়ন ত্বৰান্বিত কৰিবলৈ মন্ত্ৰীসভাই ভূমি সংৰক্ষণ আৰু কৃষি খণ্ডত ৯৪ টা প্ৰকল্প ৰূপায়ণত অনুমোদন জনাইছে।

০০০০০০০

কেন্দ্ৰীয় চৰকাৰে মণিপুৰত নিৰাপত্তা বাহিনী মোতায়ন কৰাৰ পাছত ৰাজ্যখনৰ পৰিস্থিতি সম্প্ৰতি নিয়ন্ত্ৰণলৈ আহিছে। আজি ৰাজ্যখনৰ পশ্চিম ইম্ফল, পূব ইম্ফল, বিষ্ণুপুৰ আৰু কাকচিং জিলাত পুৱা ৫ বজাৰ পৰা ১০ বজালৈ সান্ধ্য আইন শিথিল কৰা হৈছে। অৱশ্যে, এই সময়ছোৱাত ৰাজহুৱা স্থানত সমাৱেশ, ধৰ্ণা, সমদল আদি অনুমতি দিয়া হোৱা নাই। বিদ্যালয়সমূহ পৰৱৰ্তী নিৰ্দেশ নিদিয়া পৰ্যন্ত বন্ধ হৈ

থাকিব বুলিও প্ৰশাসনে অৱগত কৰিছে। ইফালে, মণিপুৰৰ হিংসাত্মক পৰিস্থিতিৰ প্ৰভাৱ অসমতো পৰাৰ আশংকাত কাছাৰ জিলাৰ আৰক্ষীয়ে অসম-মণিপুৰৰ সীমান্ত সম্পূৰ্ণৰূপে চীল কৰি দিছে। কাছাৰ জিলা আৰক্ষীয়ে জনোৱা মতে মণিপুৰৰ পৰা দুস্কৃতিকাৰী ৰাজ্যখনত প্ৰৱেশ কৰিব পাৰে বুলি চোৰাংচোৱাৰ পৰা তথ্য লাভ কৰাৰ পাছতে এই সিদ্ধান্ত লোৱা হয়। সীমান্তত সশস্ত্ৰ আৰক্ষীৰ লগতে কামাণ্ডো বেটেলিয়ন মোতায়ন কৰা হৈছে। দুয়োখন ৰাজ্যৰ সীমান্তত ২৪ ঘণ্টাই পহৰাৰ ব্যৱস্থা কৰা হৈছে বুলি আৰক্ষীয়ে জানিবলৈ দিছে। ইফালে, জিলাখনৰ নাগৰিক সমিতিসমূহকো সতৰ্ক কৰি দিয়া হৈছে।

০০০০০০০

দৰং জিলাত বাঘৰ আক্ৰমণত আজি পুনৰ এজন লোক আহত হয়। জিলাখনৰ দলগাঁও থানাৰ অন্তৰ্গত তথা ওৰাং ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ প্ৰকল্পৰ কাষৰীয়া কাছ'মাৰী গাঁৱত পুৱা প্ৰায় ৮ বজাত পথাৰত কাম কৰি থকাৰ সময়ত এজন লোকক বাঘে অতৰ্কিতে আক্ৰমণ কৰে। গুৰুতৰভাৱে আহত লোকজনক ততাতৈয়াকৈ চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়। ঘটনাৰ বিষয়ে জানিব পাৰি বন বিভাগ আৰু আৰক্ষীৰ লোক ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতিৰ প্ৰতি নজৰ ৰাখিছে বুলি আকাশবাণীৰ মঙলদৈৰ সংবাদদাতাই জানিবলৈ দিছে।

০০০০০০০০

৫৫ সংখ্যক ভাৰত আন্তৰ্জাতিক চলচ্চিত্ৰ মহোৎসৱ আজি গোৱাৰ পানাজীত আৰম্ভ হ'ব। আজি বিয়লি পানাজী শ্যামাপ্ৰসাদ মুখাৰ্জী ষ্টেডিয়ামত জাকজমকতাপূৰ্ণ অনুষ্ঠানৰ মাজেৰে এই মহোৎসৱৰ শুভাৰম্ভ কৰা হ'ব। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, ৰাষ্ট্ৰীয় চলচ্চিত্ৰ উন্নয়ন নিগম-এন এফ ডি চি আৰু গোৱা চৰকাৰৰ অধীনস্থ গোৱা বিনোদন চ'ছাইটিৰ উদ্যোগত আয়োজিত এই চলচ্চিত্ৰ মহোৎসৱৰ মূল শাখাত এইবাৰ মুঠ ২৭০খন ছবি প্ৰদৰ্শিত হ'ব। বিভিন্ন শিতানত এইবাৰ প্ৰায় ৪০০ ছবি প্ৰদৰ্শিত হ'ব। ইয়াৰ ভিতৰত বিশ্বৰ ৮১খন দেশক প্ৰতিনিধিত্ব কৰা ১৮০খন বিদেশী ছবি আছে। এইবাৰৰ মহোৎসৱত অষ্ট্ৰেলিয়াক মূল দেশৰূপে স্বীকৃতি দিয়া হৈছে আৰু অষ্ট্ৰেলিয়াৰ ছবি নিৰ্মাতা মাৰ্কেল গ্ৰেচিৰ ছবি দ্যা বেটাৰমেনৰ প্ৰদৰ্শনৰে এইবাৰৰ মহোৎসৱৰ শুভাৰম্ভ কৰা হ'ব। এইবাৰ অষ্ট্ৰেলিয়াৰ কিংবদন্তি ছবি নিৰ্দেশক ফিলিপ ন'য়ছক সন্মানীয় সত্যজিৎ ৰায় জীৱনজোৰা সাধনা বঁটা প্ৰদান কৰা হ'ব। চলচ্চিত্ৰ মহোৎসৱৰ মূল আকৰ্ষণ আন্তৰ্জাতিক ছবিৰ প্ৰতিযোগিতা শাখাত বিভিন্ন দেশৰ ১৫খন ছবিক অন্তৰ্ভুক্ত কৰা হৈছে। সৰ্বশ্ৰেষ্ঠ বিবেচিত হোৱা ছবিখনক গল্ডেন পিকক আৰু নগদ ৪০ লাখ টকাৰে পুৰস্কৃত কৰা হ'ব। ইণ্ডিয়ান পেনৰামা শাখাত অন্তৰ্ভুক্ত ছবিৰ ভিতৰত হিন্দী ছবি স্বতন্ত্ৰ বীৰ চাভাৰকাৰ, লাডাখী ছবি ঘৰ জেচা কুছ, আৰ্টিকুল থ্ৰি ছেভেনণ্টি, টুৱেল্‌ভ ফেইল আছে। আনহাতে, আই চি এছ পি ইউনেস্কো শাখাত অসমীয়া ছবি জুইফুল, বাংলা ছবি আমাৰ বছ আৰু হিন্দী ছবি শ্ৰীকান্ত অন্তৰ্ভুক্ত হৈছে। আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে ৫৫ সংখ্যক ভাৰত আন্তৰ্জাতিক চলচ্চিত্ৰ মহোৎসৱত প্ৰতিদিনৰ বা-বাতৰি বিস্তৃতভাৱে প্ৰচাৰ কৰাৰ ব্যৱস্থা লৈছে। মহোৎসৱৰ প্ৰতিদিনৰ অনুষ্ঠান সম্পৰ্কত বিশিষ্ট চলচ্চিত্ৰ সমালোচক নয়ন প্ৰসাদে গোৱাৰ পৰা পঠিওৱা পোনপটীয়া প্ৰতিবেদন পিছদিনা পুৱা ৯বজাৰ আঞ্চলিক বাতৰিত প্ৰচাৰ কৰা হ'ব।

০০০০০০০

সমাপ্ত